# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-05-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - -

১। লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি। এই পৰ্যায়ত সোমবাৰে দেশৰ ১০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬টা লোকসভা সমষ্টিত ভোটগ্ৰহণ।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ওড়িশাত, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিহাৰত আৰু দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ দেশৰ ৰাজধানীত প্ৰচাৰ অভিযানত অংশগ্ৰহণ।

৩। আজি বিশ্ব পৰিভ্ৰমী পক্ষী দিৱস। ৰাজ্যজুৰি পৰিভ্ৰমী পক্ষী সংৰক্ষণ কাৰ্যসূচী ৰূপায়ণ।

৪। ৰাজ্যৰ বিভিন্ন ঠাইত জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত লোক আদালত সম্পন্ন।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত মুম্বাই ইণ্ডিয়ানছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে কলকাতাৰ ইডেন গাৰ্ডেনছত অৱতীৰ্ণ।

০০০০০

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে আজি বিয়লি ৫ বজাত প্ৰচাৰ অভিযানৰ সামৰণি পৰে। এই পৰ্যায়ত সোমবাৰে দেশৰ ১০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। প্ৰচাৰৰ সামৰণি পৰিবলৈ মাজত কেইঘণ্টামান বাকী থকা পৰিপ্ৰেক্ষিতত বিভিন্ন দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে অন্তিম প্ৰয়াস চলোৱা পৰিলক্ষিত হৈছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ওড়িশাৰ কান্ধামাল জিলাৰ ফুলবানীত এখন নিৰ্বাচনী সমাবেশত অংশগ্ৰহণ কৰে। নিৰ্বাচনী প্ৰচাৰ সভাখনত বিৰোধী দল কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি শ্ৰী মোদীয়ে দাবী কৰে যে, অহা ৪ জুনৰ সাধাৰণ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছত কংগ্ৰেছে লোকসভাত বিৰোধী দল হিচাপেহে স্বীকৃত হ'ব। বিজেপি নেতৃত্বাধীন এন ডি এই নিৰ্বাচনত ৪০০ খনতকৈও অধিক লোকসভা আসনত জয়ী হ'ব বুলি দাবী কৰি জ্যেষ্ঠ বিজেপি নেতাগৰাকীয়ে কংগ্ৰেছে কেৱল ৫০ খন আসনতহে জয়লাভ কৰিব পাৰিব বুলি মত প্ৰকাশ কৰে। কংগ্ৰেছ শাসন কালক কু-শাসনৰ অভিধা দি শ্ৰী মোদীয়ে কয় যে, সেই সময়ত দেশত সন্ত্ৰাসবাদী আক্ৰমণৰ সংখ্যা বেছি আছিল। তেওঁ লগতে কংগ্ৰেছ শাসন কালত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাসমূহৰ সঠিক তদন্ত নোহোৱা বুলিও অভিযোগ কৰে। দুদিনীয়া কাৰ্যসূচীৰে ওড়িশালৈ যোৱা প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পাছত বাৰগড় সংসদীয় সমষ্টিটো এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে।

অসমৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিহাৰৰ বেগুচৰাই চহৰত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি কয় যে, বিজেপিৰ সবল নেতৃত্বত কিছু বছৰৰ ভিতৰতে পাক অধিকৃত কাশ্মীৰ আকৌ ভাৰতৰ অংশ হিচাপে স্বীকৃত হ'ব। সংবাদ মাধ্যমৰ সৈতে হোৱা এক বাৰ্তালাপত বিজেপি নেতাগৰাকীয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে চৰকাৰে লোৱা স্থিতিৰ বিৰুদ্ধাচাৰণ কৰাৰ কাৰণে কংগ্ৰেছক তীব্ৰ সমালোচনা কৰে। অসমৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসেও আজি পশ্চিমবংগৰ কেইবাটাও লোকসভা সমষ্টিত নিৰ্বাচনী কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যেৰে কলিকতালৈ ৰাওনা হৈছে। মন্ত্ৰী দাসে পযেকজোৰা কাৰ্যসূচীত ৰাজ্যখনৰ কেইবাটাও লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব।

ইফালে, কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়েও আজি অন্ধ্ৰপ্ৰদেশৰ কাদাপ্পাত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰী গান্ধীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰখনক সমালোচনা কৰি এন ডি এৰ শাসনকালত দেশৰ ৯০ শতাংশ লোকৰ অধিকাৰ আৰু বিকাশ বিঘ্নিত হৈছে বুলি দাবী কৰে।

আনহাতে, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়েও আজি বিহাৰৰ পাটনাত নিৰ্বাচনী প্ৰচাৰ চলায়। কংগ্ৰেছ নেতাগৰাকীয়ে বিহাৰৰ ৰাজধানী চহৰখনত সংবাদ মাধ্যমক সম্বোধন কৰি শাসক পক্ষৰ নিৰ্বাচনী স্থিতিক তীব্ৰ সমালোচনা কৰে।

আম আদমী পাৰ্টীৰ নেতা অৰবিন্দ কেজৰিৱালেও আজি দেশত এতিয়া একনায়কত্ববাদ চলি আছে বুলি দাবী কৰি ১৪০ কোটি ভাৰতীয় জনসাধাৰণক ইয়াৰ বিৰুদ্ধে নিৰ্বাচনী যুঁজ দিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীৰ বৈচিত্ৰহীন এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচন আৰু এজন নেতাৰ সপোনক স্বৈৰাচাৰী আখ্যা দি ইয়াৰ বিৰুদ্ধে সংঘবদ্ধ হ'বলৈ দেশবাসীক আহ্বান জনায়।

ooooo

কংগ্ৰেছ দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই প্ৰতিটো পৰ্যায়ৰ নিৰ্বাচনৰ পাছৰ সৰ্বমুঠ ভোটদানৰ হাৰ প্ৰকাশৰ বাবে গ্ৰহণ কৰা পদ্ধতি সন্দৰ্ভত আপত্তি দৰ্শাইছে। নিৰ্বাচন আয়োগলৈ প্ৰেৰণ কৰা এখন পত্ৰত শ্ৰীখাৰ্গেই ভোটদানৰ হাৰ সন্দৰ্ভত প্ৰকৃত তথ্য নিৰপেক্ষভাৱে ৰাজহুৱা কৰিবলৈ আয়োগক আহ্বান জনায়। তেওঁ কয় যে, নিৰ্বাচনী প্ৰক্ৰিয়াৰ প্ৰতি গভীৰভাৱে আকৰ্ষিত বহু ভোটদাতাই ভোটদানৰ প্ৰকৃত হাৰ সন্দৰ্ভত জানিবলৈ আগ্ৰহী। শ্ৰীখাৰ্গেৰ লগতে শাসনাধিস্থিত দলৰ কেইবগৰাকীও নেতাই নিৰ্বাচনী প্ৰক্ৰিয়া চলি থকাৰ সময়তে কৰা সাম্প্ৰদায়িক আৰু জাতিকেন্দ্ৰিক মন্তব্যৰ বিৰুদ্ধে আয়োগে জৰুৰীভাৱে কাৰ্যপন্থা গ্ৰহণ নকৰিলে বুলি প্ৰশ্ন উত্থাপন কৰিছে। উল্লেখযোগ্য যে আই এন ডি আই মিত্ৰজোঁটৰ এটা প্ৰতিনিধি দলে কালি নতুন দিল্লীত নিৰ্বাচন আয়োগক সাক্ষাৎ কৰে। বৈঠকৰ অন্তত কংগ্ৰেছ নেতা অভিযেক মনু সিংঘভিয়ে কয় যে, প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ বিৰুদ্ধে এহাজাৰ ৫০০ৰো অধিক আপত্তি উঠিছে যদিও কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। কংগ্ৰেছ নেতাগৰাকীয়ে লগতে ভোটদানৰ হাৰ সম্পৰ্কীয় তথ্য প্ৰকাশ কৰাৰ ক্ষেত্ৰত হোৱা বিলম্বক লৈও আপত্তি দৰ্শায়। তেওঁ কয় যে, তথ্য সময়মতে প্ৰকাশ কৰিলে কোনো সন্দেহৰ অৱকাশ নাথাকে। তেওঁ আয়োগক শীঘ্ৰে ভোটদানৰ হাৰ সম্পৰ্কীয় তথ্য প্ৰকাশ কৰিবলৈ আহ্বান জনায়।

তৃণমূল কংগ্ৰেছৰ নেতা ডেৰেক অ'ব্ৰায়ন, ডি এম কেৰ টি আৰ বালু, সমাজবাদী পাৰ্টীৰ জাভেদ আলী খান, চি পি আইৰ বিনয় বিশ্বম প্ৰতিনিধি দলটোৰ সদস্য আছিল।

ooooo

আজি বিশ্ব পৰিভ্ৰমী পক্ষী দিৱস। পৰিভ্ৰমী পক্ষীসমূহৰ সংৰক্ষণ, সজাগতাৰ বাবে সমগ্ৰ বিশ্বতে আজিৰ দিনটো পৰিভ্ৰমী পক্ষী দিৱস হিচাপে পালন কৰা হয়। এই উপলক্ষে মাজুলীত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, উজনী মাজুলী আৰু মাজুলী বন বিভাগৰ সহযোগত ৰতনপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাকৰিত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। চৰাই চোং পক্ষী অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰৰ উদ্যোগত আয়োজিত অনুষ্ঠানতটোত চৰাই চোং জলাহ অঞ্চলৰ ভৱিষ্যৎ আৰু মাজুলী পক্ষী পৰ্যটনৰ সম্ভাৱনাৰ বিষয়ে আলোচনা কৰা হয়। গুৱাহাটীতো ৰাজ্যিক পক্ষী সুৰক্ষা পৰিষদৰ উদ্যোগত বিশ্ব পৰিভ্ৰমী পক্ষী দিৱস উদযাপন কৰা হয়। চানমাৰি পেন্সনাৰ ভৱনত পতাকা উত্তোলনেৰে পক্ষী দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছত স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, পক্ষী আৰু প্ৰকৃতি বিষয়ক স্ব-ৰচিত কবিতা পাঠৰ লগতে গীত-মাতৰ অনুষ্ঠান আয়োজন কৰা হয়। মুকলি সভাত পক্ষী আৰু প্ৰকৃতি বিষয়ক আলোচনা চক্ৰ আয়োজন কৰাৰ লগতে পক্ষী সংবাদ শীৰ্ষক এখন গ্ৰন্থৰ উন্মোচন কৰা হয়।

উল্লেখযোগ্য যে ৰাজ্যখনৰ কাজিৰঙা, বুঢ়া চাপৰি, মানাহ, নামেৰী ইত্যাদি বনাঞ্চলসমূহলৈ শীতকালত আগমন হোৱা ভিন্ন প্ৰজাতিৰ পৰিভ্ৰমী পক্ষীসমূহে এটা নান্দনিক পৰিৱেশৰ সূচনা কৰে। গোলাঘাটৰ খুমতাই

সমষ্টিৰ অন্তৰ্গত যোগীবাৰী, কামৰূপ মহানগৰৰ দীপৰ বিলকে ধৰি পৰিভ্ৰমী পক্ষী পৰ্যটন ক্ষেত্ৰসমূহেও পৰিভ্ৰমী পক্ষী সংৰক্ষণৰ দিশত বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আজি পুৱতি নিশা বন কৰ্মীৰ গুলীত এটা চোৰাং চিকাৰী নিহত হয়। বিশ্ব ঐতিহ্যৰ ক্ষেত্ৰখনৰ পূব প্ৰান্তৰ আগৰাতলী পৰিসৰৰ এৰাসুঁতি ৰঙামতীয়া বন শিবিৰৰ এজাৰ কাঠনি এলেকাত চোৰাং চিকাৰীটো বন কৰ্মীৰ গুলীত নিহত হয়। ইফালে, আন দুটা চোৰাং চিকাৰীয়ে ঘটনাস্থলীৰ পৰা পলায়ন কৰিবলৈ সমৰ্থ হয়। বন বিভাগ আৰু অসম আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা এটা থ্ৰী নট থ্ৰী ৰাইফলৰ লগতে দুটা খালী কাৰ্টিজ আৰু দুজাঁই সজীব গুলী উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। উল্লেখযোগ্য যে, ৰাষ্ট্ৰীয় উদ্যানখনৰ উত্তৰ পাৰৰ বিশ্বনাথৰ দিশৰ পৰা তিনিজনীয়া চোৰাং চিকাৰীৰ দলটো বনাঞ্চলখনত প্ৰৱেশ কৰে। বিশেষ সূত্ৰৰ জৰিয়তে এই তথ্য লাভ কৰি বন বিভাগে পুৱতি নিশা কৰা এম্বুজত চোৰাং চিকাৰীটোৰ গাত চাৰিজাঁই গুলী লাগে। আন দুটা চোৰাং চিকাৰীৰ সন্ধানত বন বিভাগে অভিযান অব্যাহত ৰাখিছে।

০০০০০

বিশিষ্ট সাহিত্যিক ইমৰাণ শ্বাহক ডিব্ৰুগড় বিশ্ববিদ্যালয়ে সন্মানীয় ডি-লিট উপাধি প্ৰদান কৰিছে। আজি সাহিত্যিক গৰাকীৰ শিৱসাগৰৰ ধাইআলিত থকা বাসগৃহত বিশ্ববিদ্যালয়খনৰ কৰ্তৃপক্ষই আয়োজন কৰা এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিগৰাকীক এই সন্মান প্ৰদান কৰা হয়। সন্মানীয় উপাধিটো গ্ৰহণ কৰি পদ্মশ্ৰী সন্মানেৰে সন্মানিত সাহিত্যিকগৰাকীক বিশ্ববিদ্যালয়খনৰ কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰি কয় যে, অসমীয়া সাহিত্যৰ সম্প্ৰতি ভাল দিন চলি আছে। অসমীয়া সাহিত্য বৰ্তমান বিশ্ব স্তৰতো পৰিচিত। উল্লেখযোগ্য যে, যোৱা ১০ মাৰ্চত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২২ সংখ্যক দীক্ষান্ত সমাৰোহত বিশ্ববিদ্যালয়ৰ আচাৰ্য তথা অসমৰ ৰাজ্যপাল গুলাবচান্দ কাটাৰীয়াই শ্ৰী শ্বাহক সৰ্বোচ্চ শৈক্ষিক সন্মান ডি-লিট উপাধি প্ৰদান কৰাৰ কথা আছিল। স্বাস্থ্যজনিত কাৰণত বিশিষ্ট সাহিত্যিকগৰাকী সমাৰোহত উপস্থিত থাকিব নোৱৰাৰ হেতু বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই আজি তেখেতক বাসগৃহত এই সন্মান প্ৰদান কৰে।

০০০০০

গুৱাহাটীৰ পাটগাঁৱৰ এন ডি আৰ এফৰ প্ৰথম বেটেলিয়ানৰ উদ্যোগত আৰু মৰিগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ উদ্যোগত মৰিগাঁও জিলাৰ সকলো ৰাজহচক্ৰত যোৱা ৬ মে'ৰ পৰা আৰম্ভ হোৱা বান প্ৰতিহতকৰণ অনুশীলনৰ আজি সামৰণি পৰিছে। এই অনুশীলন কাৰ্যসূচীত বানৰ লগতে অগ্নিকাণ্ডকে ধৰি বিভিন্ন দুৰ্যোগৰ মুখামুখি হোৱাৰ বাবে প্ৰয়োজনীয় কৌশল বিষয়ক কৰ্মশালা অনুষ্ঠিত কৰা হয়। জিলাখনৰ মায়ং ৰাজহচক্ৰৰ জাগীৰোড উচ্চতৰ মাধ্যমিক বিদ্যালয়, মিকিৰ ভেটা ৰাজহচক্ৰৰ অলকাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, ভুৰাগাঁও ৰাজহচক্ৰৰ তিনিচুকীয়া মাধ্যমিক বিদ্যালয়, লাহৰিঘাট ৰাজহচক্ৰৰ বৰথল দলৈগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মৰিগাঁও ৰাজহচক্ৰৰ কেয়াজান মাধ্যমিক বিদ্যালয়ত এই অনুশীলন চলোৱা হয়। গ্ৰামাঞ্চলৰ লোকসকলৰ সৈতে বান পৰিস্থিতি সম্পৰ্কীয় বিভিন্ন বিষয়ত মত বিনীময় কৰি এন ডি আৰ এফৰ দলটোৱে মায়ঙৰ চক্ৰ বিষয়া, জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰকল্প বিষয়াকে ধৰি বিভাগীয় প্ৰধানসকলক বান পৰিস্থিতি সম্পৰ্কত সচকিত কৰে।

০০০০০

ৰাষ্ট্ৰীয় লোক আদালতৰ সৈতে সংগতি ৰাখি দক্ষিণ শালমাৰা মানকাচৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আজি হাটশিঙিমাৰীত লোক আদালত অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণ তথা অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত হাটশিঙিমাৰীৰ জিলা সত্ৰ ন্যায়াধীশৰ আদালত চৌহদত এই কাৰ্যসূচী গ্ৰহণ কৰা হয়। লোক আদালতত ফৌজদাৰী, দেৱানী, পাৰিবাৰিক, ৰাজহ সংক্ৰান্তীয়, পথ দুৰ্ঘটনা, বেংক ঋণ আদিৰ গোচৰ খৰতকীয়াকৈ নিষ্পত্তি কৰা হয়।

ওদালগুৰি জিলাতো আজি জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হয়। এই আদালতত আপোচযোগ্য বিভিন্ন গোচৰ যেনে যান বাহন আইন উলংঘা, দেৱানী গোচৰ, পাৰিবাৰিক গোচৰ, মটৰ দুৰ্ঘটনা, চেক বাউন্স, ৰাজহ সংক্ৰান্তীয় গোচৰ, বেংকৰ লেন দেন আদি বিভিন্ন গোচৰ নিষ্পত্তি কৰা হয়। আজি জিলাখনত মুঠ এহেজাহৰ ৬২৩টা গোচৰ নিষ্পত্তি কৰা হয়। কোকৰাঝাৰ জিলাতো আজি লোক আদালত অনুষ্ঠিত হয়। এই আদালতত ভালে সংখ্যক বিচাৰাধীন গোচৰ নিষ্পত্তি কৰা হয়।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ বন আৰু পৰিৱেশ তথা জলবায়ু পৰিৱৰ্তন বিভাগৰ সহযোগত আৰু অসম বিজ্ঞান সমিতিৰ উদ্যোগত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে মৰিগাঁৱৰ চাৰন বিল জলক্ৰীড়া প্ৰকল্পস্থলিত প্ৰকৃতি সজাগতা শিবিৰ মুকলি কৰা হৈছে। জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ শতাধিক ইকো ক্লাবৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে এই শিবিৰত অংশ লৈছে। জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাই এই শিবিৰ মুকলি কৰি বন ধবংসৰ দৰে কাম কাজৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনায়। এই অনুষ্ঠানত মৰিগাঁও মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপক ড০ হেমন্ত কুমাৰ নাথ আৰু অসম বিজ্ঞান সমিতিৰ উপ সভাপতি নিৰোধ বৰাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আৰক্ষীয়ে মাদক দ্ৰব্যৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। ধুবুৰীৰ বিলাসীপাৰাৰ বৰবৰুৱাঝাৰ গাঁও আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই তিনিটা মাদক দ্ৰব্যৰ সৰবৰাহকাৰীক আটক কৰে। উল্লেখযোগ্য যে কিছুদিন আগেয়ে অঞ্চলটোত আৰক্ষীয়ে কেইবাজনো মাদক দ্ৰব্য সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছিল। ইপিনে নগাঁৱৰ ৰূপহীহাট আৰক্ষীয়ে চলোৱা দুটা সুকীয়া অভিযানত দুজন মাদক দ্ৰব্য সৰবৰাহকাৰীক আটক কৰা হৈছে। ৰূপহীহাটৰ কুচগাঁও আৰু তামুলীটুপত যোৱা নিশা চলোৱা অভিযানত আৰক্ষীয়ে লোক দুজনক আটক কৰে। ধৃত লোক দুজনৰ পৰা আৰক্ষীয়ে এটা মাদক দ্ৰব্যভৰ্তি চাবোনৰ বাকচ জব্দ কৰিছে। অধিক তথ্যৰ বাবে দুয়োজন লোকক জেৰা কৰি থকা হৈছে।

০০০০০

ঢকুৱাখনাৰ চাৰিকড়িয়া নৈ পাৰত অৱস্থিত ম'হঘূলি চাপৰিত কালিৰে পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত ফাট বিহুৰ আজি দ্বিতীয় দিনাও বিহুতলিত উখল মাখল পৰিবেশে বিৰাজ কৰে। ঢোল, পেঁপা, গগনাৰ মাতেৰে ফাট বিহুতলি মুখৰ হৈ উঠিছে। সমন্বয়ৰ বাৰ্তা কঢ়িয়াই অনা এই বিহুৰ আজি দ্বিতীয় দিনা বৰ্ণিল কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কপৌ ফুল আৰু গছপুলি ৰোপণেৰে আজি  ফাট বিহুৰ দ্বিতীয় দিনাৰ কাৰ্যসূচী আৰম্ভ হয়। ইয়াৰ পিছতে গামোচা প্ৰতিযোগিতা, হুচৰি প্ৰতিযোগিতা অনুষ্ঠিত হয়। তদুপৰি ফাট বিহুৰ বছৰেকীয়া স্মৰণিকা **বিহুৱান** আজি উন্মোচন কৰা হয়। কাইলৈ অন্তিম দিনা হ'বলগীয়া মুকলি সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থকাৰ কথা। মুকলি সভাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বৰা, সাংসদ প্ৰদান বৰুৱাকে ধৰি কেইবাগৰাকীও মন্ত্ৰী বিধায়ক আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০

ভাৰত চৰকাৰৰ অন্যতম ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানত ইণ্ডিয়ান অইল ক'ৰ্পোৰেচন লিমিটেডৰ গুৱাহাটী ইণ্ডেন মণ্ডল কাৰ্যালয়ৰ উদ্যোগত আজি নগাঁৱত এটা সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হয়। নগাঁও নাট্যমন্দিৰত অনুষ্ঠিত এই কাৰ্যসূচীত জিলাখনৰ ৰন্ধন গেছৰ বিভিন্ন বিতৰকৰ যোগান ধৰোঁতা আৰু মেকানিক সকলৰ সৈতে মত বিনিময় অনুষ্ঠান সম্পন্ন কৰা হয়। এই অনুষ্ঠানত ইণ্ডিয়ান অইলৰ ৰাজ্যিক কাৰ্যলয়ৰ মহাপ্ৰবন্ধক দিনেশ প্ৰসাদ বিদ্যাৰ্থীকৈ ধৰি কেইবাজনো বিষয়াই অংশগ্ৰহণ কৰে। ইয়াৰ লগতে নগাঁৱৰ অগ্নি নিৰ্বাপক বাহিনীৰ সহযোগতো অগ্নি প্ৰতিৰোধ সম্পৰ্কীয় সজাগতা অনুষ্ঠান আয়োজন কৰা হয়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দুখন খেল গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অহা ১৫ আৰু ১৯ মে'ত অনুষ্ঠিত হ'ব। ১৫ মে'ত সন্ধিয়া চাৰে ৭ বজাত ৰাজস্থান ৰয়েলছ পাঞ্জাব কিংছৰ আৰু ১৯ মে'ত দলটো কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অসমৰ ক্ৰিকেটাৰ ৰিয়ান পৰাগে খেলি থকা ৰাজস্থান ৰয়েলছ দলৰ অধ্যক্ষ ৰঞ্জিত বৰঠাকুৰৰ উপস্থিতত আজি বি চি চি আইৰ যুটীয়া সচিব দেৱজিত শইকীয়াই এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, খেল দুখনৰ বাবে অহা ১৩ মে'ত ৰাজস্থান ৰয়েলছ দলটো গুৱাহাটীত উপস্থিত হ'ব। সংবাদমেলত ৰাজস্থান ৰয়েলছৰ অধ্যক্ষ শ্ৰীবৰঠাকুৰে অনাগত সময়ত গুৱাহাটীত আৰু অধিক খেল হ'ব বুলি আশা প্ৰকাশ কৰে। আনহাতে অনাগত সময়ত আই পি এলৰ দলসমূহত উত্তৰ-পূবৰ পৰা কমেও ২০ গৰাকী খেলুৱৈৰে অংশ লোৱাৰ বাবে পথ প্ৰসস্ত কৰাৰ তেওঁৰ পৰিকল্পনা আছে বুলিও শ্ৰীবৰঠাকুৰে জানিবলৈ দিয়ে।

ooooo

ভাৰতীয় জেভলিন খেলুৱৈ নীৰজ চোপৰাই দোহা ডায়মণ্ড লীগ ২০২৪ প্ৰতিযোগিতাত দ্বিতীয় স্থান নিশ্চিত কৰিছে। জেভলিনৰ শীৰ্ষ স্থানৰ খেলুৱৈ জাকোব জাদলেজতকৈ মাত্ৰ দুই চেণ্টিমিটাৰ কম জেভলিন দলিয়াই তেওঁ দ্বিতীয় স্থান লাভ কৰে। বতাহৰ পৰিপ্ৰেক্ষিতত নীৰজে একেৰাহে দ্বিতীয়বাৰৰ বাবে দোহাত চূড়ান্ত বিজয়ীৰ খিতাপ দখলত ব্যৰ্থ হয়।

ooooo

ভাৰতীয় মহিলা মল্ল যুঁজাৰু নিশা দাহিয়াই পেৰিছ অলিম্পিকৰ বাবে যোগ্যতা অৰ্জন কৰিছে। অলিম্পিকত ভাগ লোৱাৰ বাবে তেওঁ পঞ্চমগৰাকী মহিলা মল্ল যুঁজাৰু হিচাপে পৰিগণিত হৈছে। ইস্তানবুলত কালি বিশ্ব অলিম্পিক যোগ্যতা নিৰ্ণয়কাৰী ৬৮ কিলোগ্ৰাম শাখাৰ চেমিফাইনেল খেলত দাহিয়াই ৰোমানিয়াৰ আলেকজেণ্ড্ৰা আংঘেলক পৰাস্ত কৰে। যোৱা বছৰৰ এছিয়ান ছেম্পিয়নশ্বিপত ৰূপৰ পদক বিজয়ী নিশাই আংঘেলক ৮-৪ পইণ্টত পৰাস্ত কৰে। এইবাৰ প্ৰথমবাৰৰ বাবে ৫ গৰাকী মহিলা মল্ল যুঁজাৰুৱে অলিম্পিকৰ প্ৰতিযোতাত ভাগ লোৱাৰ সুযোগ লাভ কৰিছে। অন্তিম পংঘল, বিনেশ ফোগট, অনশু মালিক আৰু ৰিতীকা হুডাই ইতিমধ্যে অলিম্পিকত তেওঁলোকৰ স্থান নিশ্চিত কৰিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত